সাতসৰী
ষোড়শ বছৰ, তৃতীয় সংখ্যা ◆ অক্টোবৰ, ২০২০

SATSARI
Vol. No.: 16, Issue No. 03 ◆ October, 2020 ◆ Pages : 128
Reg. No. : ASSASS/2011/35776
ISSN: 2319-8893 ◆ Rs.30.00

**বিশেষ লেখা**

ড° নিৰোদ কুমাৰ বৰুৱা ● কাণ্টীয় দৰ্শনৰ দৃষ্টিৰে গোপীনাথ বৰদলৈৰ ৰাজনৈতিক চিন্তা ● ৩০
সৌম্যদ্বীপ দত্ত ● অসমৰ বৰ্ষাৰণ্য সংৰক্ষণ আন্দোলন আৰু শেহতীয়া বিতৰ্ক ● ৩৫

**প্ৰবন্ধ নিবন্ধ**

ড° পুলক সভাপণ্ডিত ● কৃত্ৰিম বুদ্ধিমত্তাই সলনি কৰিব শিক্ষাৰ দিগন্ত ● ৪২
ড° সংগীতা শইকীয়া ● অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভৰ সম্ভাৱনীয়তা ● ৪৫
ড° মৃদুল শৰ্মা ● গল্পকথনৰ কলা আৰু তপন দাসৰ গল্প ● ৫০
কমল শইকীয়া ● নিৰ্মাণ-কুশলতা, বাস্তৱ আৰু বিভ্ৰমৰ আখ্যান ● ৫৬
ড° নমিতা ডেকা ● যতীন্দ্ৰকুমাৰ বৰগোহাঞিৰ উপন্যাস ● ৬১
জ্যোতিষ্মান দাস ● জাতিৰ ঘাইঘৰৰ ভেটি গঢ়োঁতা শিক্ষক-সাহিত্যিক পদ্মনাথ ● ৬৭
ড° কৰবী মহন্ত ● অসমৰ থলুৱা লোকবাদ্য ঃ অতীত আৰু বৰ্তমান ● ৭০
মধুস্মিতা গগৈ ● উজনি অসমৰ নাৰীভাষা ● ৭৩



**কবিতা**

ৰাজীৱ বৰুৱা, ৰাজীৱ বৰা ● ২৩
শ্বৰীফা খাতুন চৌধুৰী ● ২৪
দেৱৰাজ মিলি, মনালিছা শইকীয়া ● ২৫
কিশোৰ মনজিৎ বৰা ● ২৬
বিভাৰাণী তালুকদাৰ, অমৰ মৰাং ● ২৭
নিবেদন দাস পাটোৱাৰী, সিদ্ধাৰ্থ শংকৰ কলিতা ● ২৮
অংকুৰ ৰঞ্জন ফুকন, মেঘালী হাজৰিকা কাকতি ● ২৯

**গল্প**

অপূৰ্ব কুমাৰ শইকীয়া ● মই তেজাবাই ● ৭৭
আব্দুচ ছামাদ ● দাপোণ দৰ্শন ● ৮৩
অজন্তা ● শামুক ● ৮৬





**ধাৰাবাহিক উপন্যাস**

ড° ধ্ৰুৱজ্যোতি বৰা ● কৃষক-বিদ্ৰোহী-সৈনিক-ৰাজন ● ৯১
য়েছে দৰজে ঠংচি ● ঢোলৰ ছেৱত লামছিৱা ● ৯৭
গী দ মোপাছাঁৰ বেল-আমি, অনুবাদ ঃ মীনাক্ষি বুঢ়াগোহাঁই ● ১০১

Scanned by CamScanner



# জাতিৰ ঘাইঘৰৰ ভেটি গঢ়োঁতা শিক্ষক-সাহিত্যিক পদ্মনাথ

জ্যোতিষ্মান দাস

সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱাৰ গুৰুত্ব আৰু অৱদান অসমীয়া সাহিত্যত যিদৰে সদায় অক্ষয়-অম্লান হৈ থাকিব, একেদৰে অসমৰ শৈক্ষিক ইতিহাসতো শিক্ষক গোহাঞিবৰুৱাৰ গুৰুত্ব আৰু অৱদান স্মৰণীয় হৈ থাকিব। বৃত্তিত এগৰাকী শিক্ষক পদ্মনাথ গোহাঞিবৰুৱাই সমান্তৰালভাৱে এগৰাকী শক্তিশালী সাহিত্যিক, সমাজ সংগঠক, ৰাজনীতিক হিচাপেও অসমৰ সমাজ-জীৱনক সমৃদ্ধ কৰি থৈ গৈছে। সাহিত্যিক হিচাপে পদ্মনাথ গোহাঞিবৰুৱাৰ বিপুল প্ৰসিদ্ধি আৰু খ্যাতিৰ সন্মুখত তেখেতৰ অন্যান্য পৰিচয়সমূহ নিষ্প্ৰভ হৈ পৰে যদিও তেখেত নিজৰ শিক্ষকতা বৃত্তিৰ প্ৰতি সদায় দায়িত্বশীল আছিল যদিও তেখেতৰ সামাজিক পৰিচয় পৃথক আছিল, তথাপি নিজৰ বৃত্তিগত পৰিচয়ৰ প্ৰতি তেখেত সদায় সজাগ আৰু সচেতন আছিল। সেইবাবেই সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱাৰ মাজত এগৰাকী শক্তিশালী শিক্ষক-শিক্ষাবিদকো আমি আৱিষ্কাৰ কৰোঁ। নিজৰ বৃত্তিগত কৰ্তব্যৰ প্ৰতি অন্যায় নকৰি অসমৰ সাহিত্য, সমাজ আৰু সংস্কৃতিক সমৃদ্ধ কৰি থৈ যোৱা গোহাঞিবৰুৱাক সেয়েহে এগৰাকী আদৰ্শ শিক্ষক বুলি বিনাদ্বিধাই অভিহিত কৰিব পাৰি আৰু সাহিত্য-কাণ্ডাৰী গোহাঞিবৰুৱাৰ ব্যক্তিত্বৰ এই দিশটো নিঃসন্দেহে অনুকৰণীয় আৰু লক্ষ্যণীয়। 'শিক্ষাবিদ গোহাঞিবৰুৱা' শীৰ্ষক এটা নিবন্ধত সেয়েহে বিনন্দ্ৰচন্দ্ৰ বৰুৱাই লিখিছে— "তেওঁৰ সকলোবিলাক গুণ সাহিত্যিকৰ বহল ঢাকণিখনে ঢাকি থোৱাৰ কাৰণে, আমি সাধাৰণতে সেইবিলাক পৃথকভাৱে চাবলৈ নিবিচাৰোঁ বা সেইবিলাক আমাৰ চকুত সহজে নপৰে। এটা জাতিৰ সৰ্বপ্ৰকাৰ উন্নতিৰ প্ৰধান সম্বল শিক্ষা। শিক্ষাৰ জখলাৰে বগাই নগ'লে জাতীয় উন্নতিৰ ওখ খাপত আৰোহণ কৰা সম্ভৱপৰ নহয়। (চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত *পদ্মনাথ গোহাঞিবৰুৱা*, পৃঃ ৯৩) জাতিৰ এই ঘাইঘৰৰ ভেটি সংস্থাপন কৰাত 'কবি মাষ্টৰ'



Scanned by CamScanner